# নাট্যসম্ৰাট প্ৰফুল্ল বৰালৈ শ্ৰদ্ধাঞ্জলি






সভাত বক্তব্য আগবঢ়াইছে
সভাপতি ড° শইকীয়া (বাওঁপিনে)
আৰু
নাট্যকাৰ-পৰিচালক
হেমন্ত দত্তই (সোঁপিনে)

যোৱা ২০ নৱেম্বৰ, ২০২০ খ্ৰীষ্টাব্দ তাৰিখে মঙলদৈ সাহিত্য সভা ভৱনত আয়োজিত এখন সভাত অসমৰ এগৰাকী অন্যতম বহুলভাৱে সমাদৃত আৰু জনপ্ৰিয় নাট্যকাৰ প্ৰফুল্ল বৰালৈ তেওঁৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উপলক্ষে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। দিনযোৱা কাৰ্যসূচী মঙলদৈ জিলা সাহিত্য সভাৰ সভাপতি শৈলেন ৰাজবংশীয়ে কৰা পতাকা উত্তোলনেৰে আৰম্ভ হয়। ইয়াৰ পিছত প্ৰফুল্ল বৰাৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰে তেওঁৰ পুত্ৰ তথা সাংস্কৃতিক কৰ্মী অংশুমান বৰাই আৰু শ্ৰদ্ধাঞ্জলি নিৱেদন কৰে নাট্যকাৰ আব্দুল আজিজে।

দিনৰ ৰৰ বজাত সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে অসম সাহিত্য সভাৰ মাননীয় প্ৰাক্তন উপ-সভাপতি তথা বিশিষ্ট গীতিকাৰ-কবি ইদ্ৰিছ আলীয়ে। সভাত তিনিগৰাকী বিশিষ্ট ব্যক্তি—নাট্যকাৰ-পৰিচালক হেমন্ত দত্ত, শিক্ষাবিদ হেমন্তকুমাৰ বৰুৱা আৰু তেজপুৰৰ বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মা যথাক্ৰমে বিশিষ্ট অতিথি, নিৰ্দিষ্ট বক্তা আৰু আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে। তিনিওগৰাকীয়ে তেওঁলোকৰ ভাষণত নাট্যসম্ৰাট প্ৰফুল্ল বৰাৰ কৃতিত্ব আৰু সুবিশাল নাট্য সৃষ্টি সম্বন্ধে বহলাই কয়। উল্লেখ কৰিব পাৰি যে প্ৰয়াত প্ৰফুল্ল বৰাই প্ৰায় এশখন মঞ্চ আৰু অঁনাতাৰ নাট ৰচনা কৰিছিল।

সভাপতিৰ ভাষণত ড° শইকীয়াই সভাৰ এনে অনুষ্ঠানত নতুন প্ৰজন্মৰ অংশগ্ৰহণ বিশদৰূপে হোৱা উচিত বুলি মন্তব্য কৰে। "আজিৰ এই অনুষ্ঠানত অপেশাদাৰী নাট্যগোষ্ঠীসমূহৰ যুৱ কৰ্মীসকলৰ অংশগ্ৰহণ অধিক হোৱাটো উচিত আছিল। ইয়াৰ ফলত যুৱ সাংস্কৃতিক কৰ্মীসকলৰ বাবে নিজ নিজ ক্ষেত্ৰত কাম কৰাৰ নতুন পথ মুকলি হ'ব আৰু এইদৰে অসম সাহিত্য সভাও নতুন প্ৰজন্মৰ মাজত সোমাই পৰিব," ড° শইকীয়াই কয়।

সভাৰ আৰম্ভণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী...' পৰিৱেশনেৰে আৰম্ভ হোৱা সভাখনিত অসম সাহিত্য সভাৰ মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক দ্বীপেন্দ্ৰনাৰায়ণ কোঁৱৰ আৰু প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই আদৰণি ভাষণ আগবঢ়ায়। সভাত গুৱাহাটী প্ৰশাসনীয় কাৰ্যালয়ৰ সম্পাদক, কবি মনজিৎ সিং আৰু সভাৰ কাৰ্যনিৰ্বাহক সদস্য, গল্পকাৰ অপূৰ্বকুমাৰ শইকীয়াৰ উপৰি মঙলদৈ চহৰৰ এচাম গণ্য-মান্য ব্যক্তি উপস্থিত আছিল। অসম সংগীত 'অ' মোৰ আপোনাৰ দেশ' পৰিৱেশনেৰে সভাৰ সামৰণি ঘোষণা কৰে।

০০০০